# বেজবৰুৱাৰ নাটক আৰু চক্ৰধ্বজ সিংহ

ড° ধীৰাজ পাটৰ*

অসমীয়া আধুনিক সাহিত্যজগতৰ অন্যতম পুৰোধা ব্যক্তি তথা ৰোমাণ্টিক যুগৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱা হৈছে একাধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, ঔপন্যাসিক, ৰম্যৰচক, প্ৰবন্ধকাৰ, আলোচনী সম্পাদক, জীৱনীকাৰ তথা তত্ত্বমূলক প্ৰবন্ধলেখক। অসমীয়া চুটিগল্প সাহিত্যই তেওঁৰ হাততেই প্ৰাণপাই উঠিছিল। কবিতা হয় যদি হওক নহয় যদি নাই বাক্যৰে কবিতাৰ জগতখনতো বিশেষ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। ভাষা-সাহিত্য-সংস্কৃতিৰ বৰঘৰ নিৰ্মাণত তথা অসমীয়া জাতীয় সত্তাৰ ভেটি মজবুত কৰাত তেওঁৰ যি অহোপুৰুষাৰ্থ সেই কথা প্ৰতিজন অসমীয়া মাত্ৰে অৱগত।

তেওঁ অন্যান্য সাহিত্যৰ লেখিয়াকৈ অসমীয়া নাট্য সাহিত্যলৈও বহু অৱদান আগবঢ়াই গৈছে। তেওঁৰ নাটসমূহৰ ভিতৰত— *লিতিকাই* (১৮৮৯), *দেৱযানী* (১৯১১), *নোমল* (১৯১৩), *পাঁচনি* (১৯১৩), *চিকৰ্‌পতি-নিকৰ্‌পতি* (১৯১৩), *চক্ৰধ্বজ সিংহ* (১৯১৫), *বেলিমাৰ*(১৯১৫), *জয়মতী কুঁৱৰী*(১৯১৫), *গদাধৰ ৰজা* (১৯১৮), *হৰবৰল*(১৯৩১), *বৰবৰুৱাৰ বেতাল ষষ্ঠ বিংশতি*(১৯৩২), *বাৰেমতৰা* (বাঁহী ২১ তম বছৰ ১ম সংখ্যা) আদি।

ধেমেলীয়া নাটকৰ যোগেদি নাট্যজগতত প্ৰৱেশ কৰা বেজবৰুৱাৰ *লিতিকাই*, *নোমল*, *পাচনি* আৰু *চিকৰ্‌পতি-নিকৰ্‌পতি* উল্লেখযোগ্য প্ৰহসন। তেওঁৰ এই নাটকেইখন প্ৰধানতঃ অসমীয়া সমাজত প্ৰচলিত কেতবোৰ সাধুকথাৰ আলমত ৰচনা কৰিছিল।

* সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়

হাস্যৰস প্ৰদান কৰাই নাটকেইখনৰ প্ৰধান উদ্দেশ্য। *লিতিকাই* নাটকত সাতটা অজলা ককায়েক-ভায়েক আৰু বুধিয়ক বামুণৰ কাহিনীক সুন্দৰ ৰূপত উপস্থাপন কৰি শ্ৰোতা-দৰ্শকক হাস্যৰসৰ সোৱাদ প্ৰদান কৰিছে। আনপিনে *নোমল* নাটকত এহাল হোজা গাঁৱলীয়া দম্পতীৰ নৱজাতকৰ নামকৰণ সম্পৰ্কত হোৱা আলাই-আথানিৰ কথা হাস্যৰসৰ মাজেৰে সুন্দৰকৈ অৱতাৰণা কৰিছে। যাৰ ফলত নোমল নাম গুচি নেমেল হোৱাৰ উপক্ৰম হৈছিল।

*পাচনি* নাটকত ধৰ্মৰাম পাচনি আৰু তেওঁৰ ঘৈণীয়েকৰ কাহিনী বৰ্ণনা কৰিছে। য'ত ধৰ্মৰাম হোজা ৰূপত আৰু ঘৈণীয়েকক তাৰ বিপৰীত চৰিত্ৰ হিচাপে অংকন কৰিছে। *চিকৰ্পতি-নিকৰ্পতি* দুজন চতুৰ চোৰৰ কাহিনীক হাস্যৰসিকভাৱে বৰ্ণনা কৰি নাট্যকাৰে পাঠকৰ মনত আমোদ প্ৰদান কৰিছে। লোকসমাজৰ কেতবোৰ সাধুৰ ভিত্তিত কাহিনী উপস্থাপন হোৱা বাবে নাট্যকাৰৰ মৌলিকতা ইয়াত দেখা নাযায়। কিন্তু নাটকৰ পৰিৱেশনৰীতি, পৰিৱেশ সৃষ্টি, ৰচনাৰীতি আদিত মৌলিকতাৰ ৰহন পৰিছে।

বেজবৰুৱাই পূৰ্ণাঙ্গ সামাজিক নাটক হিচাপে কোনো নাট ৰচনা কৰা নাই যদিও *হৰবৰল* আৰু *ববৰুৱাৰ বেতাল ষষ্ঠ বিংশতি*ত কিছু পূৰ্ণৰূপ দেখিবলৈ পোৱা যায়। *হৰবৰল* তিনি অংকযুক্ত সামাজিক নাট। ইয়াত আধুনিক শিক্ষিতা নাৰীৰ এটা চাৰিত্ৰিক দিশ ফুটাই তুলিবলৈ যত্ন কৰা হৈছে। নাটকখনত ৰুক্মিণী আৰু ললিতা নামৰ দুগৰাকী শিক্ষিতা নাৰীয়ে সমাজ সেৱাত ব্ৰতী হয় যদিও অৰ্থৰ অভাৱত কিদৰে শোচনীয় অৱস্থাত পৰিবলগীয়া হৈছে তাৰ সুন্দৰ চিত্ৰ ফুটাই তুলিছে। অৰ্থাৎ সমাজ সেৱাই মানুহক নুখুৱায়। জীয়াই থাকিবলৈ মানুহক টকাৰ যে প্ৰয়োজন সেই কথা নাটকখনত প্ৰধান বিষয় হিচাপে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে।

সংস্কৃতৰ 'বেতাল পঞ্চবিংশতি' নামৰ সাধুটোৰ নামটোৰ সৈতে সংগতি ৰাখি *ববৰুৱাৰ বেতাল ষষ্ঠবিংশতি* নাম দি বেজবৰুৱাই পাঁচ অংকযুক্ত ধেমেলীয়া নাটক ৰচনা কৰে। উকীল বাঘাম্বৰ শৰ্মাই প্ৰথমা পত্নী নিঃসন্তান হোৱাৰ হেতু পত্নীৰ ইচ্ছামতে খুলশালীয়েকক দ্বিতীয় পত্নী হিচাপে গ্ৰহণ কৰে। কিন্তু তথাপি কোনো সন্তানৰ মুখ দেখা নাপায়। অৱশেষত প্ৰথমা পত্নীৰে গৰ্ভত এটি পুত্ৰসন্তানে স্থিতি লভে। ইয়াৰ ফলস্বৰূপে পৰৱৰ্তী সময়ত তেওঁলোকৰ মাজত পুৱা-গধূলি দ্বন্দ্ব-সৰিয়াল লাগি থকা ঘটনাই হৈছে নাটকখনৰ মুখ্য বিষয়। বিষয়বস্তু আৰু প্ৰকাশ ৰীতিৰ ফালৰ পৰা লঘু হলেও নাটকীয় ঘটনা শীৰ্ষ বিন্দুতে পৰিসমাপ্তি কৰাত নাট্যকাৰ সফল হৈছে।

বেজবৰুৱাৰ উল্লেখযোগ্য বুৰঞ্জীমূলক নাটকৰ ভিতৰত *চক্ৰধ্বজ সিংহ, বেলিমাৰ* আৰু *জয়মতী কুঁৱৰী*। বেজবৰুৱাই এই তিনিখন নাটক একেটা বছৰতে ৰচনা কৰিছে। মানৰ তিনিওটা অসম আক্ৰমণৰ ঘটনাক কেন্দ্ৰকৰি *বেলিমাৰ* নাটখন ৰচিত। নাটকখনত

অসমত কেনেকৈ পৰাধীনতাৰ এন্ধাৰে আৱৰি ধৰিছিল সেই কথা উপস্থাপন কৰা দেখা যায়। বেলিমাৰ অৰ্থাৎ স্বাধীনতাৰ বেলি যেন অসমৰ আকাশৰ পৰা ক্ৰমাৎ মাৰ গৈছে সেই কথাকে বুজাবলৈ নাট্যকাৰে বুজাবলৈ প্ৰয়াস কৰিছে। তদুপৰি *চক্ৰধ্বজ সিংহ* নাটকত অসমত মোগলৰ বিৰুদ্ধে স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালত লাচিতক বৰফুকন উপাধি প্ৰদান কৰি শৰাইঘাটত মোগলক পৰাস্ত কৰাৰ ঘটনাক মুখ্য স্থান দি ৰচিত এখন উল্লেখযোগ্য বুৰঞ্জীমুলক নাট।

আনহাতে আকৌ *জয়মতী* নাটত কিদৰে পতিপৰায়ণা আহোম জীয়ৰী জয়মতীয়ে নিজৰ জীৱন বিসৰ্জন দিব লগীয়া হৈছে সেই কৰুণ ঘটনাক সুন্দৰ ৰূপত উপস্থাপন কৰিবলৈ যত্ন কৰিছে। এই তিনিওখন নাটক পাঁচ অংকযুক্ত। *বেলিমাৰ* আৰু *জয়মতী* বিষাদাত্মক কিন্তু *চক্ৰধ্বজ সিংহ* সুখাত্মক পৰিণতিৰে পৰিসমাপ্তি ঘটিছে। নাট কেইখনত এফালে গহীন-গম্ভীৰ দৃশ্য আৰু তাৰ আগে-পাছে লঘু হাস্যা ৰখাত্মক দৃশ্য ৰূপায়ণ কৰা হৈছে। প্ৰধানতঃ শ্বেক্সপীয়াৰৰ নাট্য ৰীতিৰ প্ৰভাৱ ঘটা দেখা যায়।

*দেৱযানী* বেজবৰুৱাৰ একমাত্ৰ পৌৰাণিক আৰু অমিত্ৰাক্ষৰ ছন্দৰ নাট। কাশীদাসী মহাভাৰতৰ কাহিনীৰ আধাৰত প্ৰতিষ্ঠিত নাটখনিত অঙ্ক-দৃশ্য বৰ্জিত। (ভট্টাচাৰ্য, ১৯৩)

বেজবৰুৱাৰ অন্যতম নাটক *গদাধৰ ৰজা*। তেওঁৰ প্ৰায়বোৰ নাটক নাৰী অথবা নায়িকাৰ নামেৰে ৰচনা কৰাৰ বিপৰীতে এইখন নাটকত যদিও গদাধৰ ৰজা নামৰ কোনো চৰিত্ৰ নাই তথাপি এটা পুৰুষৰ নামেৰে নাটকখন ৰচিত হৈছে। *বাঁহীৰ* পাতত প্ৰকাশিত এইনাটখনিত কোনো অংক-বিভাগ নাই; দৃশ্য বিভাগ নাই। নাট্যকাৰে নিজেই এই নাটখনক 'চ'ৰাঘৰীয়া নাট' বুলি অভিহিত কৰিছে। (ভট্টাচাৰ্য, ১৯৫)।

**বেজবৰুৱা নাটকৰ প্ৰধান লক্ষণসমূহ ঃ**

বেজবৰুৱাৰ নাটকত পত্ৰবহুলতা বিশেষ মনকৰিবলগীয়া দিশ। চিঠি-পত্ৰৰ যোগেদি নাটকৰ কাৰ্য সাধন কৰিবলৈ চেষ্টা কৰিছে। তেওঁৰ *চক্ৰধ্বজ সিংহ* নাটকত দুখন আৰু *বেলিমাৰ*নাটকত সাতখন চিঠি উপস্থাপন কৰিছে।

বেজবৰুৱাৰ নাটকত সংস্কৃত নাট্য সাহিত্যৰ নাট্যবিধিৰ দৰে মৃত্যু বা বধ দৃশ্য প্ৰায় বৰ্জন কৰিছে। *চক্ৰধ্বজ সিংহ* নাটত শৰাইঘাটৰ যুদ্ধৰ প্ৰসংগ, লাচিতে মোমায়েকক কটাৰ বিষয়টো কেৱল চিঠিৰ যোগেদি দৰ্শক-পাঠকক জানিবলৈ সুযোগ দিছে। *বেলিমাৰ* নাটকতো বদনৰ হত্যা বিষয়টো সংবাদ হিচাপেহে প্ৰচাৰ কৰিছে। অৱশ্যে *জয়মতী কুঁৱৰী* নাটকত জয়মতীৰ মৃত্যু, *লিতিকাই* নাটকত সুভদ্ৰা বুঢ়ীৰ মৃত্যুৰ দৃশ্য মঞ্চত উপস্থাপনে সেই বিধিক উলংঘা কৰাও দেখা যায়।

বেজবৰুৱাৰ নাটকসমূহত কৰুণ ৰসে বিশেষভাৱে স্থান পোৱা দেখা নাযায়। বুৰঞ্জীমূলক নাটক তিনিখনৰ কাহিনী কৰুণ কিন্তু *জয়মতীৰ* বাহিৰে *চক্ৰধ্বজ সিংহ* আৰু

বিশেষ প্রাধান্য নাপালে।

*বেলিমাৰ* নাটকত এই ৰসে বিশেষ প্ৰাধান্য নাপালে।

তেওঁৰ নাটকত হাস্যৰসৰ প্ৰাধান্য বেছি যাৰ বাবে কেতিয়াবা পাঠক দৰ্শকে ৰসাস্বাদন কৰাত ব্যাঘ্যাত জন্মে। হাস্যৰস সৃষ্টিৰ বাবে কেতিয়াবা এনে কিছুমান ঘটনা উপস্থাপন কৰিছে যিয়ে নাটকখনৰ কোনো ধৰণৰ উদ্দেশ্য সাধনত সহায় কৰা নাই। এনে ঘটনাসমূহ উপস্থাপন নকৰিলেও নাটকখনৰ কোনো হানি নহয়। *চক্ৰধ্বজ সিংহৰ* গজপুৰীয়া, প্ৰিয়ৰামহঁতৰ কাহিনী এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য।

বেজবৰুৱাই প্ৰধানতঃ কথিত অসমীয়া ভাষাৰ বহুল প্ৰয়োগ কৰিছিল। লগুৱা-লিকচৌ, ৰজা-মহাৰজা সকলোৰে মুখত এই ভাষাৰ প্ৰয়োগ মনকৰিবলগীয়া। তদুপৰি বুৰঞ্জীমূলক নাটকত থকা ৰামসিংহ, নচৰৎ খাঁ আদিৰ মুখত হিন্দী, ফাৰ্চী উৰ্দু শব্দৰ প্ৰয়োগো ঘটিছে।

বেজবৰুৱাৰ নাটকৰ আন এক দিশ হৈছে বৈষ্ণৱ ভাব। তেওঁৰ বিভিন্ন সাহিত্যৰ মাজত এই ভাব প্ৰতিফলিত হোৱাৰ দৰে নাটকতো ইয়াৰ ব্যতিক্ৰম নহয়। সৰুৰে পৰা বৈষ্ণৱ পৰিৱেশত ডাঙৰ হোৱা হেতুকে হয়তো এই ভাব তেওঁৰ ৰচনাত প্ৰতিফলিত হোৱাতো একো অস্বাভাৱিক নহয়। *বেলিমাৰ* নাটকত পিজৌ চৰিত্ৰটো, *জয়মতী কুঁৱৰীত* জয়মতীৰ মৃত্যুৰ সময়ত এনে ধৰণৰ ভাব প্ৰতিফলিত হোৱা দেখা যায়।

তেওঁৰ নাটকত বহুল পৰিমাণে দীৰ্ঘ স্বগতঃ উক্তিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। *চক্ৰধ্বজ সিংহৰ* লাচিতৰ আত্মকাহিনীত, *বেলিমাৰত* চন্দ্ৰকান্তৰ আক্ষেপত এনে উক্তিৰ ব্যৱহাৰ উল্লেখযোগ্য।

লৌকিক গীত-মাতৰ ব্যৱহাৰো বেজবৰুৱাৰ নাটকসমূহৰ উল্লেখযোগ্য দিশ। ফকৰা-যোজনা, জতুৱা ঠাঁচ, গীত-মাতৰ যোগেদি অসমীয়া সমাজ ব্যৱস্থাৰ এখন সুন্দৰ চিত্ৰ প্ৰতিফলিত কৰিছে।

**_চক্ৰধ্বজ সিংহ_ নাটকৰ পটভূমি ঃ**

লক্ষ্মীনাথ বেজবৰুৱাৰ এখন অন্যতম নাটক হৈছে *চক্ৰধ্বজ সিংহ*। নাটকখনৰ পটভূমি হৈছে আহোম আৰু মোগল সেনাৰ মাজত হোৱা যুদ্ধ। নাট্যকাৰে পাতনিতে উল্লেখ কৰিছে যে নাটকখনৰ আধাৰ গ্ৰন্থ হিচাপে সেই সময়ত প্ৰকাশ পোৱা *ঊষা* কাকতত শৰাইঘাটৰ যুদ্ধ নামৰ প্ৰবন্ধ আৰু গেইটৰ অসম বুৰঞ্জী আৰু উপেন্দ্ৰনাথ বৰুৱাৰ এখন কিতাপ। তেওঁ ইয়াকো কৈছে যে হেমচন্দ্ৰ গোস্বামীৰ মতত তেওঁ বিশেষ গুৰুত্ব প্ৰকাশ কৰিছে। *চক্ৰধ্বজ সিংহ* ১৯১৫ চনত ৰচিত। ইয়াত পাঁচটা অংক আৰু ২৬টা দৃশ্য বিভাজন কৰিছে। নাটখনত নাট্যকাৰে উল্লেখ কৰিছে যে আহোম ৰজা জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত তেওঁৰ পুতেকে ৰজা হ'ব নোৱৰাত চক্ৰধ্বজ সিংহই ৰজা হয়। কিন্তু জয়ধ্বজ সিংহই মোগলৰ সৈতে হোৱা চুক্তি অনুসৰি মোগলক কৰ-কাটল দিয়াটো নিয়ম আছিল আৰু সেই নিয়ম মানিবলৈ ৰজা

চক্ৰধ্বজে অবাধ্য হয়। ফলত মোগলে নিজৰ প্ৰাপ্যৰ বাবে আহোম স্বৰ্গদেও চক্ৰধ্বজ সিংহক হয় কৰকাটল দিয়ক নহয় গুৱাহাটী এৰি গুচি যাবলৈ কয়। তাকে কৰিবলৈ অমান্তি হোৱাত মোগলে যুদ্ধ কৰাৰ হুংকাৰ দিয়ে আৰু এটা সময়ত যুদ্ধ কৰিবলৈ গুৱাহাটীলৈ ৰাওনা হয়। আনফালে আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহই লাচিতক সেনাপতি পাতি সেনা সহিতে গুৱাহাটীলৈ পঠিয়াই দিয়ে। আহোম আৰু মোগলৰ মাজত তীব্ৰ যুঁজ হ'ল য'ত মোগল সেনাৰ পৰাজয় আৰু আহোমৰ জয় হয়। এই যুদ্ধই হৈছে শৰাইঘাটৰ যুদ্ধ।

**নাটকৰ কাহিনী ঃ**

১৫৭৭ শকত মজুম্‌খা অৰ্থাৎ মীৰজুমলাই অসম আক্ৰমণ কৰি এই দেশৰ অধিকাৰী হয়। সেই সময়ত আহোমৰ স্বৰ্গদেও আছিল জয়ধ্বজ সিংহ। কিন্তু তেওঁ এই যুঁজত বলে নোৱাৰি চৰাইদেও লৈ পলাই যাবলগীয়া হয়। উল্লেখযোগ্য যে মীৰজুমলাই আহোম স্বৰ্গদেওক ক'লে যে যদি তিনিলাখ টকা, ৯০ টি হাতী দিয়ে তেন্তে এই দেশ এৰি গুচি যাব আৰু বাদসাহ আউৰাংজেৱলৈ এগৰাকী কন্যাও লাগিব। এই কথা শুনি স্বৰ্গদেৱে বন্দী ১০০, বেঁটী ১০০, হাতী ৩০টা, সোণ দুই হাজাৰ, ৰূপ বাৰ হাজাৰৰ সহিতে ৰমণী গাভৰুক আউৰাংগজেৱলৈ দিয়ে আৰু মোগলে অসম এৰি গুচি গ'ল। এই চুক্তি অনুসৰি চক্ৰধ্বজ সিংহলৈও তদানীন্তন গুৱাহাটীৰ থানাদাৰে পত্ৰ প্ৰেৰণ কৰি কৰকাটল বিচাৰিলে। এই কথাত তেওঁ অমান্তি হৈ কৰকাটল নিদিয়াৰ সিদ্ধান্ত ল'লে আৰু যুদ্ধ কৰাৰ ভাবুকি দি মোগল কটকীক পঠাই দিলে। কথাটো ভাল হোৱা যেন নাভাবি বৰগোহাঞিং, বৰপাত্ৰগোহাঞিং সকলোৱে আলোচনা কৰিলে। পৰিণাম যুদ্ধ বুলি সকলোৱে নিশ্চিত হ'ল। স্বৰ্গদেও ৰজা হোৱা দিনৰে পৰা যে মনত পূৰ্বৰ সেই কালিমা কিদৰে আঁতৰাব পাৰি তাৰেই প্ৰচেষ্টা অব্যাহত ৰাখিছিল। যেতিয়া মোগলে এনে কথা বাৰে বাৰে কৈ অপমানিত কৰিছে তেতিয়া স্বৰ্গদেৱে যুদ্ধৰ বাবে সকলোকে সাজু হ'বলৈ কৈছে। লগতে লাচিত বৰফুকনলৈ ইয়াৰ উত্তৰ বিচাৰি চাইছে। তেতিয়া বৰফুকনে স্বৰ্গদেউৰ আদেশ দিলেই হ'ল বুলি প্ৰতি উত্তৰ দিছে। ইফালে আহোম স্বৰ্গদেউৰ এনে বাতৰি কটকীৰ পৰা জানি মোগল সেনা যুদ্ধৰ বাবে সাজু হ'ল। বাদসাহে পুনৰ গুৱাহাটী দখল কৰিবলৈ ৰামসিংহক সেনাপতি পাতি বহু হাজাৰ সৈন্য-সামন্তৰে গুৱাহাটীলৈ পঠিয়াবলৈ আদেশ দিয়ে।

স্বৰ্গদেউৰ আদেশ মৰ্মে লাচিতৰ নেতৃত্বত সৈন্য-সামন্ত অস্ত্ৰ-শস্ত্ৰ, খাদ্য আদিৰ ব্যৱস্থা কৰিবলৈ সকলোৱে উঠি-পৰি লাগিল। লাচিতে সকলোকে একতৃত্ব কৰি যুদ্ধৰ বাবে সাজু কৰি তুলিলে। অৱশেষত শৰাইঘাটৰ ৰণলৈ সকলো সাজু। মূল শৰাইঘাটৰ ৰণৰ আগতে কেইবাখনো ৰণ মোগলৰ লগত কৰিব লগা হ'ল। বাঁহবাৰী, কাজলীমুখ, ইটাখুলি, বৰনদীৰ মুখ। এই আটাইকেইখনত মোগলৰ পৰাজয় হয়। এই যুঁজত মোগলৰ

বহুকেইজন প্ৰধান লোক নিহত হ'ল। ইয়াৰ ভিতৰত ফিব্ৰুজখান আৰু চৈয়দখান আদিয়েই প্ৰধান। এই যুদ্ধ জয়ৰ বাতৰি স্বৰ্গদেউক প্ৰেৰণ কৰাত স্বৰ্গদেউ আনন্দিত হৈ দেওধাই, মোহন বাইলুং আদি পুৰোহিত সকলক ৰিখোৱান মহোৎসৱ আয়োজন কৰিবলৈ আদেশ প্ৰদান কৰে। সকলোৰে মহাআনন্দে এই উৎসৱত ভাগ লয়।

আনহাতে ৰামসিংহই সৈন্য-সামন্তৰে সহিত গুৱাহাটীৰ ওচৰৰ শুৱালকুছিৰ আশে পাশে কোঠ স্থাপন কৰিলে। ৰামসিংহ অসমলৈ এইদৰে অহাৰ কাৰণ সুধি লাচিতে ৰামসিংহলৈ কটকী পঠালে; ইয়াৰ প্ৰতিউত্তৰত ৰামসিংহই আহোমৰ কটকীক কৈ পঠালে যে পূৰ্ব্বে আলিয়াৰ খাঁ আৰু মোমাই তামুলী বৰবৰুৱাৰ ভিতৰত যি সন্ধি হৈছিল সেই সন্ধি অনুসৰি আলি আৰু বৰনদীৰ অসম আৰু বাদসাহৰ ৰাজ্যৰ সীমা বন্ধা হৈছিল। সেই সন্ধি মতে গুৱাহাটী মোগল বাদসাহৰ ৰাজ্যৰ ভিতৰ; এতেকে গুৱাহাটী আহোমসকলে এৰি দিব লাগে। নহ'লে দুঘৰীমান যুঁজি চাব পাৰে আৰু লাগিলে তীৰ-বন্দুক মোগলৰ পৰা দিব পাৰিব। লগতে অসমৰ বিষয়ে বহু বেয়া মন্তব্য কৰে। ইয়াৰ উত্তৰ বৰফুকন ডাঙৰীয়াও দিয়ে। ৰামসিংহই লাচিতৰ এনে বাক্য শুনি দলিবাৰীত যুদ্ধৰ প্ৰস্তুতি আৰম্ভ কৰিলে এই বিষয়ে স্বৰ্গদেউক জনোৱাত দলিবাৰীলৈ আগুৱাই গৈ যুঁজিবলৈ কলত একে দিনাই দহ হাজাৰ সৈন্য নিপাত গ'ল। বৰফুকন হতাশ হৈ এনে বতৰা স্বৰ্গদেউ জনাবলৈ উদ্যত হোৱাত বুৰঢ়াগোহাঞিয়ে সান্ত্বনা দিয়ে আৰু কয় —

> মই কওঁ, এইখন যুঁজৰ কথা স্বৰ্গদেৱলৈ জনাবৰ সকাম নাই। বাৰীৰ ভিতৰত পুখুৰী এটা সিঁচিলেও আঠ-দহটা মানুহক শিঙিয়ে ফুটে; এখন ৰণত আঠ-দহ হেজাৰ মানুহ পৰিল, তাকে আকৌ স্বৰ্গদেৱক জনাব লাগে কিয় ? ইয়াৰ প্ৰতিশোধ আমি বঙালৰ ওপৰত লৈ তাৰ বাতৰিহে স্বৰ্গদেৱক দিয়াটো ভাল।

তদুপৰি গড়বন্ধা কামত হেমাহি কৰাৰ কাৰণে লাচিতে নিজৰ মোমায়েককো হেংদাঙেৰে কাটি দুচেও কৰে। এনেদৰে থৈয়া-নথৈয়া কাৰ্যকলাপ হৈ থকাৰ সময়তে ৰামসিংহই পণ্ডিত ৰায় নামৰ এজন লোকক লাচিতৰ ওচৰলৈ পঠিয়াই দিয়ে আৰু কয় যে তিনি লাখ টকাৰ বিনিময়ত মোগলক গুৱহাটী এৰি দিব লাগে। কিন্তু লাচিতে তাকে নকৰিলে আৰু শৰাইঘাটত তীব্ৰ যুঁজ কৰি মোগলক পৰাস্ত কৰে। এই বতৰা স্বৰ্গদেউ চক্ৰধ্বজ সিংহলৈ কটকী পঠাই জনোৱাত স্বৰ্গদেউ পৰম আনন্দিত হয়। শেষত পুত্ৰৰ হতুৱাই লাচিতে ঘৰলৈ পত্ৰ লেখি বিজয় বাৰ্তা প্ৰেৰণ কৰাৰ লগতে শদিয়া খোৱা গোহাঁই বৰুৱালৈ বৰফুকনৰ কন্যা চেনেহীৰ বিবাহ কাৰ্যৰ সহমত প্ৰকাশ কৰি নাটকৰ ঘটনাৰ ইতি ৰেখা টনা হৈছে।

নাট্যকাৰে মূল ঘটনাৰ লগত দুটা উপকাহিনী উপস্থাপন কৰিছে, এই দুটা নাট্যকাৰৰ কল্পনাপ্ৰসূত বুলি ক'ব পাৰি। ইয়াৰ প্ৰথমটো দৃশ্য হৈছে গজপুৰীয়া আৰু তাৰ সহযোগীকেইটাৰ মাজৰ কথোপ-কথনৰ কাহিনী। আৰু আনটো হৈছে শদিয়া খোৱা গোঁহাই আৰু চেনেহীৰ

মাজত প্ৰতিফলিত হোৱা প্ৰেম। দুয়োটা ঘটনাই নাটকখনত বিশেষ প্ৰাসংগিক নহয় যদিও ঘটনাৰ গতিত বিৰাম দিবৰ বাবে এনে কাহিনীয়ে দৰ্শকক আহ্লাদিত কৰিছে।

**নাট্য চৰিত্ৰ ঃ**

**চক্ৰধ্বজ সিংহ ঃ** আহোম শাসন কালৰ অন্যতম এজন পৰাক্ৰমী ৰজা হৈছে চক্ৰধ্বজ সিংহ। এওঁ স্বৰ্গদেও জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত ৰাজপাটত উঠে। জয়ধ্বজ সিংহৰ পুতেক দুয়ক ৰজা নাপাতি ৰাইজে তেওঁৰ নাতি চুপুংমুঙ্গক ৰজা পাতে। এই চুপুংমুঙ্গৰ হিন্দু নামেই হৈছে চক্ৰধ্বজ সিংহ। ৰজা চক্ৰধ্বজ সিংহৰ দিনতে কেবাটাও নতুন নতুন বাব আহোমৰ ৰাজতন্ত্ৰলৈ অভিযেক ঘটে। অসম ইতিহাসত লাচিত বৰফুকন, আতন বুঢ়াগোহাঞি আদি উল্লেখযোগ্য বীৰ পুৰুষৰ কাৰ্য এওঁৰ দিনতে উজ্বলি উঠিছিল। ৰজা চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালতে মোগল সৈন্য তথা মোগল সেনাপতি ৰাম সিংহই গুৱাহাটী অধিকাৰ কৰিবৰ নিমিত্তে যুদ্ধ ঘোষণা কৰিছিল। এই ঐতিহাসিক যুদ্ধত ঔৰংজেৰ বাদসাহ সেনাপতি ৰাম সিংহই অসমৰ সেনাপতি লাচিত বৰফুকনৰ হাতত পৰাস্ত হৈ গুৱাহাটী এৰি গুচি গৈছিল, সেই যুদ্ধই হৈছে শৰাইঘাটৰ যুদ্ধ। অসমৰ ইতিহাসত এইজনা ৰজাৰ নাম সোণালী আখৰেৰে লিখা ৰ'ব। নাটকখনত চক্ৰধ্বজ সিংহক ৰজা হিচাপে অংকন কৰিছে যদিও ৰজাৰ বিভিন্ন কাৰ্যাৱলী, ৰণকৌশল ইত্যাদি কথা বিষদ বিৱৰণ পোৱা নাযায়। নাট্যকাৰে এই চৰিত্ৰটো এটা গতানুগতিক চৰিত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। সেই ফালৰ পৰা ইয়াক উজ্জ্বল চৰিত্ৰ হিচাপে উল্লেখ কৰিব পৰা নাযায়। অসম ইতিহাসত আহোমৰ দিনৰ এজন ৰজা হিচাপে তেওঁক অংকন কৰিছে কিন্তু সেই ৰজাৰ বিচক্ষণতা, পৰাক্ৰম ইত্যাদিবোৰ সুস্পষ্টৰূপত প্ৰতিফলিত হোৱা নাই। নাটকখনৰ শিৰোনাম ৰজাৰ নামেৰে উল্লেখ কৰিলেও ইয়াত ৰজা চক্ৰধ্বজ সিংহৰ চৰিত্ৰটোক মুখ্য ৰূপত উপস্থাপন কৰা নাই। অৱশ্যে তেওঁক স্বাধীনচিতীয়া মনোভাৱৰ পৰিচয় পোৱা যায়।

**লাচিত বৰফুকন ঃ** নাটকখনত উল্লেখ থকা আন এটি চৰিত্ৰ হৈছে লাচিত বৰফুকন। অসম ইতিহাসত লাচিত বৰফুকনক যিদৰে বিচাৰি পাও তেনে ধৰণৰ বিশেষ সজীৱতাৰে নাট্যকাৰে লাচিত চৰিত্ৰটো উপস্থাপন কৰা নাই। ইতিহাসৰ পাতৰ পৰা বুটলি অনা চৰিত্ৰটোক তেওঁ বৰ্ণনা-ধৰ্মীতাৰে তেওঁৰ বংশৰ গুৰি কথা কৈ লাচিতৰ স্থিতি উপস্থাপন কৰিছে। কেনেদৰে বৰফুন উপাধি লাভ কৰিছিল তাৰ ইতিবৃত্ত পুতেকক সোঁৱৰাইছে আৰু কিমান কষ্টৰ ফলত তেওঁ আজি বৰফুকনৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছে তাকো বুজাবৰ চেষ্টা কৰিছে। পুতেকে যাতে সেই মান, খ্যাতিৰ কালিমা নাখানি ইয়াক অক্ষুণ্ণ ৰাখে তাকেই লাচিতে পুতেকক বুজনি দিছে। এইখিনি কথাৰ জৰিয়তে বীৰ লাচিতৰ গৌৰৱময় ইতিহাসৰ কথা নাট্যকাৰে পাঠকৰ ওচৰলৈ টানি আনিছে। নাট্যকাৰে চিঠিৰ যোগেদি লাচিতৰ বীৰত্ব তথা যুদ্ধৰ জয়ৰ কথা স্বৰ্গদেউ চক্ৰধ্বজ সিংহলৈ প্ৰেৰণ কৰিছে। লাচিতৰ

বিচক্ষণতা তথা দূৰদৰ্শীতাৰ ইয়াতেই উমান দিছে। তদুপৰি মোগল সেনাপতি ৰামসিংহৰ মুখেৰেও লাচিতৰ বীৰত্ব, দূৰদৰ্শীতা তথা উপযুক্ত সেনাপতি হিচাপে চিহ্নিত কৰিছে। ইয়াতেই লাচিতৰ ব্যক্তিত্ব সুন্দৰ ৰূপত প্ৰকাশ পাইছে। যুদ্ধৰ ক্ষেত্ৰত নিজ কৰ্মৰ প্ৰতি গাফিলতি কৰাৰ বাবে তেওঁ মোমায়েকক কাটিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। দেশৰ প্ৰতি, জাতিটোৰ প্ৰতি স্বদেশ প্ৰীতিৰ ভাব থকাৰ বাবেহে এনে সম্ভৱ হৈ উঠিছে। উল্লেখযোগ্য যে নাটকখনত লাচিতৰ এনে বীৰত্বৰ কথা, বিচক্ষণ বুদ্ধিসম্পন্ন ৰণকৌশল ইত্যাদিৰ আৰু অধিক আলোচনাৰ থল আছিল।

**প্ৰিয়ৰাম ঃ** লাচিত বৰফুকনৰ পুত্ৰ। প্ৰিয়ৰামক প্ৰথম অৱস্থাত এজন অকৰ্মণ্য মদাহী জুৱাৰী আদিৰে অভিহিত কৰাৰ বৰ্ণনা দাঙি ধৰিছে বৰফুকন আৰু বৰফুকননীৰ কথা-বাৰ্তাৰ যোগেদি। কিন্তু নিজৰ দোষত অনুতপ্ত হৈ এটা সময়ত লাচিত বৰফুকনক যুদ্ধত সহায় কৰিছে আৰু দুজন মোগল সেনাপতিক বন্দী কৰাত সফল হৈছে; ইয়াৰ যোগেদি তেওঁ নিজৰ বীৰত্ব প্ৰকাশ কৰিছে আৰু লাচিতে নিজৰ পুত্ৰৰ এনে কৰ্মত আত্মসন্তুষ্টি লাভ কৰিছে। সংগ দোষত বিপথে গ'লেও পিতৃৰ যশ, গৌৰৱ কৃৰ্ত্তিয়ে পুনৰ নিজক সৎ পথত অগ্ৰসৰ হ'বলৈ শিকালে। গাত ডেকা তেজ আৰু স্বদেশ প্ৰেমে তেওঁকো এজন যোগ্য পিতৃৰ পুত্ৰ হিচাপে পৰিবৰ্তিত কৰে।

প্ৰিয়ৰাম চৰিত্ৰটো নাট্যকাৰে শ্বেক্সপীৰেৰ *হেনৰি ফৰ্থ (Henry IV)*ৰ প্ৰথম খণ্ডৰ প্ৰিন্স হল *(Prince Hall)* নামৰ চৰিত্ৰটোৰৰ আদৰ্শত গঢ়ি তুলিছে। নাটকখনৰ পাতনিতে নাট্যকাৰে এই কথা উল্লেখ কৰিছে। ইয়াত প্ৰিয়ৰাম আৰু গজপুৰীয়া, গজপুৰীয়ানী আৰু তেওঁৰ বন্ধু বৰ্গৰ সৈতে হোৱা কাৰ্যকলাপত তাৰ আভাস পোৱা যায়।

**গজপুৰীয়া ঃ** গজপুৰীয়া প্ৰিয়ৰাম বন্ধু। এই চৰিত্ৰটোও নাট্যকাৰে পাশ্চাত্য নাট্যকাৰ শ্বেক্সপীয়েৰৰ উল্লিখিত নাটকত থকা ফলষ্টাফ *(Falstaff)* ৰ চৰিত্ৰটোৰ সৈতে আৰু গজপুৰীয়ানীক মিষ্ট্ৰেছ কুইকলি *(Mistress Quickly)*ৰ সৈতে ৰিজাব পাৰি। প্ৰিয়ৰাম আৰু তেওঁৰ লগৰীয়াকেইটাৰ সৈতে বহি মদ খোৱা, কথাই কথাই কাজিয়া কৰা, নানান হাস্য ব্যংগ কৰা আদি ঘটনাই গজপূৰীয়া চৰিত্ৰটোক এটা পাতল আৰু ৰসিক চৰিত্ৰ হিচাপে উপস্থাপন কৰিছে। যুদ্ধ যাবলৈ ভয় কৰা, ফাঁকি দি গৌৰৱ অৰ্জন কৰা, বুদ্ধিত বৃহস্পতি আদি কাৰ্যকলাপে ফলষ্টাফ *(Falstaff)* ৰ চৰিত্ৰটোলৈ মনত পেলাই দিয়ে। প্ৰিন্স হ'ল *(Prince Hall)*, ফলষ্টাফৰ সহযোগী পইনছ *(Poins)*, পেটো *(Peto)*, গেডশিল *(Gadshill)*, বাৰডলফ *(Bardolph)* আদিৰ দৰে প্ৰিয়ৰাম আৰু গজপূৰীয়াৰ লগত থকা টকৌ, টোকোৰা, জপৰা আৰু সিন্ধিৰামৰ চৰিত্ৰ কেইটা ৰিজাব পাৰি। কিন্তু সেয়া হ'লেও বেজবৰুৱাই অসমীয়া কৰণ কৰি অসমৰ সমাজ ব্যৱস্থাৰ লগত খাপখোৱাকৈ এইচৰিত্ৰ কেইটা নিৰ্মাণ কৰিছে।

নাটকখনৰ উল্লেখযোগ্য চৰিত্ৰটোৱেই হৈছে গজপূৰীয়া। যাক ফলষ্টাফৰ অসমীয়া সংস্কৰণ বুলি ক'ব পাৰি। দুয়োটা চৰিত্ৰৰ মাজত সাদৃশ্য থাকিলেও সম্পূৰ্ণ অনুকৰণ কৰা নাই। প্ৰিয়ৰামৰ লগৰীয়া হিচাপে গজপুৰীয়াই নিজৰ স্থূল কথা বতৰাৰ যোগেদি প্ৰিয়ৰামক বেয়া সংগত লিপ্ত কৰোৱাতো বিশেষ অহিৰণা আছে। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবেই প্ৰিয়ৰামৰ সৈতে যুদ্ধত আন লগৰীয়াসকলৰ লগত যাবলৈ ৰাজী হৈছে। যুদ্ধত বীৰত্ব দেখুওৱাতকৈ ভয়ত পলায়ন কৰিছে। কিন্তু সেই কথাও সেনাপতি লাচিতক মিছা মাতি নিজৰ স্বাৰ্থ পূৰণ কৰিছে।

**বুঢ়াগোহাঞি ঃ** বাঁহগৰীয়া বুঢ়াগোহাঞি চক্ৰধ্বজ সিংহৰ মন্ত্ৰীসভাৰ এজন উচ্চপদস্থ মন্ত্ৰী। বিভিন্ন ৰজাঘৰীয়া সমস্যা, কাৰ্য কুশলতাৰ সময়ত বহুতো পৰামৰ্শ প্ৰদান কৰি আহিছে। যুদ্ধৰ বাবে প্ৰস্তুতি চলোৱাৰ সময়ত তেওঁ সকলোবোৰ ৰজাঘৰ, চৰাঘৰ, সৈন্য সামন্ত তদাৰকীৰ দায়িত্ব গ্ৰহণ কৰিছিল। ইয়াৰ যোগেদি বুঢ়াগোহাঞিৰ ৰজাঘৰীয়া দায়িত্ব সম্পৰ্কে আভাস পোৱা যায়।

**বৰগোহাঞি ঃ** বুঢ়াগোহাঞিৰ দৰেই চক্ৰধ্বজ সিংহৰ মন্ত্ৰীসভাৰ অন্যতম দায়িত্বশীল মন্ত্ৰী তথা উচ্চ পদস্থ বিষয়া হৈছে বৰগোহাঞি।

এওঁলোকৰ উপৰিও ৰজাঘৰৰ মন্ত্ৰীসভাত ক্ৰমে বৰপাত্ৰগোহাঞি, বৰভৰালী বৰুৱা আদি বিষয়াই ৰাজকাৰ্য পৰিচালনা কৰিছিল।

নাটকখনত উল্লিখিত আৰু কেইবাটি চৰিত্ৰ যেনে— প্ৰিয়ৰাম ডেকাফুকনৰ লগৰীয়া গজপুৰীয়াৰ সংগী জপৰা, টকৌ, টোকোৰা, আদি চৰিত্ৰ কেইটিয়ে খুহুতীয়া আৰু হাস্যৰসিক কথাৰে নাটকীয় কাহিনী বিন্যাসত বিশেষ সহায় কৰিছে। স্থূল স্বভাৱৰ হ'লেও বিপদৰ সময়ত সকলোৱে হাত উজান দিয়া পৰিলক্ষিত হয়। তদুপৰি নাটকখনত শদিয়া খোৱা গোহাঞি বৰুৱা নামৰ এটি চৰিত্ৰ দেখা যায়। যিয়ে লাচিত বৰফুকনৰ বৰজীয়ৰী চেনেহীৰ প্ৰণয়প্ৰাৰ্থী হিচাপে উপস্থাপিত হৈছে। স্বভাৱত ধীৰ, গুৰুগম্ভীৰ ডেকা হিচাপে নাট্যকাৰে অংকন কৰিছে। নাটকখনত ৰজাঘৰীয়া বিয়াহ গোৱা ওজা, গায়ন আৰু কবি হিচাপে বিক্ৰম কাকতি নামে এজন ৰজাৰ বৰকাকতী দেখা যায়।

**ৰাম সিংহ ঃ** তেওঁ হৈছে অম্বৰৰ অধিপতি তথা আউৰাংজেৱৰ বন্ধু মহাৰাজ জয়সিংহৰ পুত্ৰ তথা মহাবীৰ নান সিংহৰ নাতি। তেওঁক বাদসাহ আউৰাংজেৱে মোগল সৈন্যসকলৰ সেনাপতি পদত অধিষ্ঠিত কৰি অসমলৈ গুৱাহাটী দখল কৰিবলৈ পঠিয়াই দিছিল। ৰামসিংহ আছিল বাদসাহৰ বিচক্ষণ চতুৰ বীৰ সেনাপতি। বহু পৰাক্ৰমী ৰামসিংহই আহোম বীৰ সেনাপতি লাচিতৰ সৈন্যৰ সৈতে যুঁজত পৰাস্ত হৈছিল। তেওঁ উপলব্ধি কৰিছিল যে আহোম বীৰপুৰুষৰ গাত সঁচাকৈ বিচক্ষণ আৰু দেশ-জাতি-মাটিৰ হ'কে যুঁজিব পৰা ক্ষমতা আছে। সেয়ে এটা সময়ত তেওঁ নিজৰ ব্যৰ্থতাৰ কথা সুঁৱৰি বাদসাহ

আউৰাংজেবক কিদৰে মুখ দেখুৱাব সেই লৈ চিন্তিত হৈ পৰিছিল। লগতে ভাবিছিল আহোম সেনাৰ গাত ইমান পৰাক্ৰম কেনেকৈ আহে। ইয়াত কিবা ঐন্দ্ৰজালিক ক্ৰিয়া কৰ্ম, ভূত-প্ৰেত, বেজালি নিশ্চয় আছে। তাতে আকৌ মা কামাখ্যাৰ দেশ। এনেবোৰ অন্ধবিশ্বাস জাতীয় কথাইও তেওঁলোকৰ মনত স্থান লাভ কৰিছিল—

> অসমীয়াবোৰ কি ভয়ানক যুদ্ধা। কি সাহসী বীৰ। সকলো কাৰ্যতে নিপুণ। মইতো দেখি তাইজপ মানিলোঁ।..............মই ভাৰতবৰ্ষৰ ক'ত ঠাইত কত ৰকম মানুহ দেখিলোঁ, ক'ত ৰকম যুঁজাৰু সেনা দেখিলোঁ ক'তো এনে সেনা হিন্দুৱেই হওঁক বা মুছলমানেই হওক কতো এনে সেনা দেখা নাছিলোঁ।.............যেনে অসমীয়া সেনা তেনে সেনাপতি।.....।

**আউৰাংজেব ঃ** মোগলৰ অন্যতম প্ৰতাপী ৰজা তথা দিল্লীৰ বাদসাহ। ভাৰতবৰ্ষৰ প্ৰায়বোৰ ঠাইতে মহাপৰাক্ৰমেৰে যুদ্ধ কৰি ৰাজ্যৰ পৰিসীমা বৃদ্ধি কৰাত সফল হোৱা ৰজা। তেওঁৰ বীৰত্বব্যঞ্জক কথা ভাৰতবৰ্ষৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা হৈ ৰ'ব। এই জনা ৰজাৰ আদেশত আৰু ৰামসিংহৰ সেনাপতিৰ নেতৃত্বত মোগলে অসম আক্ৰমণ কৰিবলৈ মন মেলিছিল। অসমত আহোম সেনাসকলৰ পৰাক্ৰম দেখি তেওঁ আশ্চৰ্য প্ৰকাশ কৰিছিল। লগতে অপমানবোধো কৰিছিল। অসমক কেইবাবাৰো নিজৰ দখলত ৰখা মোগলে যেতিয়া গুৱাহাটী পুনৰ দখলৰ বাবে চিন্তা কৰিছিল তেতিয়া অসম সেনাৰ হাতত শৰাইঘাটৰ ৰণত পৰাস্ত হৈছিল। নাটকখনত আউৰাংজেবৰ বিস্তৃত বৰ্ণনা পোৱা নাযায়। কেৱল বিষয়বাব প্ৰদান আৰু সেনা লৈ পুনৰ গুৱাহাটীলৈ ৰামসিংহক পঠিয়াই দিয়াৰ কাৰ্যকলাপতে তেওঁৰ চৰিত্ৰটোৰ কাৰ্য শেষ হৈছে।

**জয়সিংহ ঃ** ইয়াত অম্বৰৰ অধিপতি জয়সিংহৰ কথা উল্লেখ পোৱা যায়। কিন্তু নাট্যকাৰক জয়সিংহৰ বিস্তৃত বৰ্ণনা তথা কাৰ্যকলাপৰ পৰা বিৰত থকা দেখা যায়। কেৱল অম্বৰৰ অধিপতি মহাপৰাক্ৰমী ৰজা বুলি উল্লেখ কৰি তেওঁৰ পুত্ৰ ৰামসিংহক বন্ধুত্বৰ সুবাদতে সেনাপতিৰ দায়িত্বভাৰ অৰ্পণ কৰাৰ দৰে কাৰ্য বৰ্ণনা পোৱা যায়। জয়সিংহই সম্ৰাট আউৰাংজেবক বিভিন্ন ধৰণৰ দিহা পৰামৰ্শ প্ৰদান কৰাৰ কথা দুই এঠাইত উল্লেখ পোৱা যায়। যেতিয়া অসমত যুদ্ধত পৰাস্তহৈ ফিৰুজখা আৰু চৈয়দ চানা বন্দী হৈ মৃত্যু হ'বলগীয়া হৈছিল তেতিয়া এই অপমানৰ প্ৰতিশোধ ল'ব বিচৰাৰ সময়ত সম্ৰাটক জয়সিংহই কৈছিল—

> সিংহ শুই থাকোতে, টিপচীয়ে থাপ্ মাৰি সিংহৰ দাঁতত লাগি থকা মঙহ লৈ যোৱাৰ নিচিনা হৈছে জহাপনা

তদুপৰি জয়সিংহই বৃদ্ধ বয়সতো যুঁজলৈ যাবলৈ আদেশ বিচাৰিছে। এনে কাৰ্যৰ যোগেদি তেওঁৰ অতীত গৌৰৱৰ কথাকে সোঁৱৰাই দিছে।

এওঁলোকৰ উপৰিও মোগলসকলৰ আন কেতবোৰ চৰিত্ৰৰ উল্লেখ পোৱা যায়।

ৰচিত খাঁ এনে এজন মোগলৰ অন্যতম সেনাপতি, ৰামসিংহৰ তলতীয়া বিষয়া। এওঁ গুৱাহাটীৰ পুৰণি থানাদাৰ আছিল। তেওঁ গুৱাহাটী পুনৰ দখল কৰিবৰ বাবে ৰামসিংহৰ সৈতে আহিছিল। আগৰ চিনাকি থকা হেতু ৰামসিংহৰ বহু সুবিধা হ'ব বুলি ভাবি আউৰাংজেৱে পঠিয়াই দিছিল।

ৰামসিংহৰ লগত অন্যতম কটকী ৰূপে আছিল পণ্ডিত ৰায়। এই পণ্ডিত ৰায়ক লাচিতৰ সৈতে চুক্তি কৰি গুৱাহাটী এৰি দিবলৈ কৈ পঠাইছিল। কূটনীতিত পাৰ্গত এইজনা মোগল কটকীয়ে ৰামসিংহক বহু মন্ত্ৰণা প্ৰদান কৰিছিল।

নাটকখনত থকা অন্যান্য চৰিত্ৰৰ ভিতৰত নাৰী চৰিত্ৰ কেইটিমানে গুৰুত্ব লাভ কৰিছে। ইয়াৰ ভিতৰত গজপুৰীয়াৰ ঘৈণীয়েক গজপুৰীয়ানী। তেওঁ গ্ৰাম্য কন্দলপ্ৰিয়া নাৰীৰ প্ৰতিনিধি। বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামক কাম বাণত মোহিত কৰি তেওঁৰ প্ৰতি আদৰ যত্ন বৃদ্ধি পোৱা দেখুওৱা হৈছে। কামাসক্তি নেদেখুওৱাহেতেন চৰিত্ৰটো বেছি বাস্তৱ আৰু শ্লীলতাযুক্ত হ'লহেতেন। (শৰ্মা, ২০৪)

বৰফুকনৰ দুগৰাকী কন্যা ক্ৰমে চেনেহী আৰু ৰূপহীক ৰাংঢালী যুৱতী হিচাপে অংকন কৰিছে। চেনেহী বয়সত ডাঙৰ আৰু ৰূপহী সৰু। চেনেহী অলপ লাজকুৰীয়া স্বভাৱৰ। আনহাতে ৰূপহী অলপ চঞ্চল মনৰ ৰাংঢালী ছোৱালী। কথাই কথাই ৰূপহীৰ মুখখন যিদৰে চলে তাৰ বিপৰীতে লাজুক লাজুক স্বভাৱ হৈছে চেনেহীৰ। দুয়োগৰাকীৰ মুখত গীত, ফকৰা-যোজনাই আখৈ ফুটা দি ফুটি থাকে। চেনেহীৰ আকৌ মনে প্ৰাণে শদিয়া খোৱা গোহাঁইলৈ মন। তাকে দেখি ৰূপহীয়ে চেনেহীক জোকাই তৰ্ক-বিতৰ্কত লিপ্ত হয়।

নাটতকখনত লাচিতৰ ঘৈণীয়েক অৰ্থাৎ ফুকনীৰ চৰিত্ৰটোও নাট্যকাৰে অংকন কৰিছে। একধৰণৰ গতানুগতিকভাৱে চৰিত্ৰটো অংকন কৰিছে যদিও নিজ পুত্ৰৰ অসৎ কৰ্মৰ প্ৰতি বাৰুকৈয়ে চিন্তিত হৈ পৰা দেখা যায়। পৰিয়ালৰ মান-মৰ্যাদাৰ প্ৰতিও সচেতন হোৱা পৰিলক্ষিত হয়। অন্য চৰিত্ৰৰ ভিতৰত নাটকখনত সততে দেখা দিয়া বৰফুকনৰ দাসী অৰ্থাৎ লিগিৰী চৰিত্ৰটোও উল্লেখ পোৱা যায়।

**ৰস ঃ**

নাটকখনৰ ৰস সৃষ্টিৰ ক্ষেত্ৰটো বিশেষকৈ হাস্যৰসৰ হে উজ্জ্বল চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ গজপুৰীয়া-গজপুৰীয়ানীকে আদি কৰি তেওঁলোকৰ সংগীসকলৰ কথোপকথনৰ জৰিয়তে হাস্যৰসৰ উদ্বেগ ঘটিছে। শ্বেক্সপীয়েৰৰ ফলষ্টাফৰ চৰিত্ৰৰ আধাৰত সৃষ্টিহোৱা গজপুৰীয়া আৰু তেওঁলোকৰ সংগীসকলে মদ্যপাণ কৰি, কাজিয়াত লিপ্ত হোৱা আৰু চল চাতুৰীৰে মিছা মাত মাটি সুন্দৰকৈ নিজৰ চৰিত্ৰসমূহত হাস্যৰস ফুটাই তুলিছে। নাটকখনত যিহেতু যুদ্ধ-বিগ্ৰহৰ ঘটনাই মুখ্য স্থান পাইছে সেয়ে ইয়াত বীৰৰসে স্থান পাব লাগিছিল কিন্তু এই যুদ্ধ বিগ্ৰহসমূহ কেৱল মাত্ৰ বৰ্ণনা কৰি

যোৱাৰ বাবে এনে ৰসৰ ধাৰণাহে কৰিব পৰা যায়।

**পঞ্চ অৱস্থা ঃ**

পাঁচ অংকযুক্ত বুৰঞ্জীমূলক নাট *চক্ৰধ্বজ সিংহত* পঞ্চ সন্ধি আৰু অৱস্থাৰ সফল প্ৰয়োগ হোৱা বুলি ক'ব পৰা নাযায় যদিও ইয়াত ধাৰণা কৰি লোৱাৰ অৱকাশ নুই কৰিব নোৱাৰি। নাটখনত মোগল আৰু আহোমৰ মাজত হোৱা পূৰ্বৰ চুক্তি অনুসৰি যেতিয়া মোগল ৰজালৈ কৰ কাটল পঠিয়াবলৈ ব্যৱস্থা কৰা হৈছিল তেতিয়া সেই ধন দিবলৈ বাধা প্ৰদান কৰি চক্ৰধ্বজ সিংহই চ'ৰাঘৰত ঘোষণা কৰিছিল —

> "পাটচালৈ পঠিয়াবলৈ বুলি যি সাত লাখ টকা বৰঙনি তোলা হৈছিল, সেই টকা আৰু দিয়া নাযায়, তাৰে যুঁজৰ খৰচ চলোৱা যাব। আজিলৈ সভা ভঙ্গ কৰিলো। (প্ৰথম অংক, প্ৰথম দৰ্শন)

এই ঘটনাংশৰ পৰাই নাটকৰ কাহিনী আৰম্ভ হৈছে। আনহাতে লাচিত বৰফুকনৰ বৰফুকন উপাধি প্ৰদান কৰি যুদ্ধৰ বাবে প্ৰস্তুত হ'বলৈ আদেশ দিয়া, বাঁহবাৰীৰ যুদ্ধক্ষেত্ৰত জয় উল্লাস ধ্বনিৰে লাচিতৰ নিৰ্দেশত ৰণত অৱতীৰ্ণ হোৱা কাৰ্যত নাটকৰ প্ৰযত্ন অৱস্থা প্ৰতিফলিত হৈছে। বাকী কেইটা অৱস্থা ক্ৰমে প্ৰত্যাশা, নিয়তাপ্তি আৰু ফলাগম স্পষ্টকৈ নিৰূপণ কৰিব পৰা হোৱা নাই। দীঘলীয়া চিঠি-পত্ৰৰ যোগে প্ৰধান ঘটনাংশক বৰ্ণনা কৰি যোৱা হেতু সামগ্ৰিকভাৱে নাটকখনৰ কলা কৌশলৰ আভাস পালেও আশানুৰূপভাৱে ৰস আস্বাদন কৰাত পাঠকসকল বঞ্চিত হৈছে।

**কলাকৌশল ঃ**

> চক্ৰধ্বজ সিংহ নাটত কামতকৈ কথা বেছি হোৱাত আৰু দীঘলীয়া সংলাপবোৰৰ বক্তৃতাৰ নিচিনা হোৱাত নাটকখনে ৰঙ্গমঞ্চক আকৰ্ষণ কৰিব পৰা নাছিল। (হাজৰিকা ১৭৬)

নাটকখনৰ কাহিনী গঠনৰ ক্ষেত্ৰতো মূল কাহিনীটোৰ সৈতে গজপুৰীয়া সম্বন্ধিতে সৃষ্টি কৰা কাহিনীটোৱে মূল কাহিনীটোক তল পেলাই দিছে। তদুপৰি এই কাহিনীটো ইয়াৰ পৰিপূৰক নহয়। এই উপকাহিনীটো বাদ দিলেও নাটকখনৰ কোনো হানি বিঘিনি নঘটে। অৱশ্যে তেওঁলোকক উপস্থাপনেৰে হাস্যৰসৰ সোৱাদ দিবলৈ সক্ষম হৈছে।

বেজবৰুৱাই শ্বেক্সপীয়েৰৰ নিচিনাকৈ হাস্যৰসিক উপকাহিনীসমূহ বুৰঞ্জীৰ কাহিনীয়ে বিচৰাৰ বাবে প্ৰয়োগ কৰা নাছিল।

> তেওঁ সেইবোৰ সন্নিৱিষ্ট কৰা একমাত্ৰ উদ্দেশ্য আছিল দৰ্শক বা পঢ়ুৱৈসকলৰ নিৰস বুৰঞ্জীমূলক কাহিনী আৰু চৰিত্ৰসমূহৰ সংলাপবোৰ শুনি বা পঢ়ি অৱসাদ দূৰ কৰি মন সজীৱ কৰি ৰখা।" (ভূএগ্ৰা ৭৪-৭৫)

আনফালে এনে চৰিত্ৰসমূহৰ যোগেদি মানুহৰ অন্তৰত হাস্যৰস সৃষ্টি আৰু নাটকীয় সৌন্দৰ্যও বৃদ্ধি কৰিছে। বেজবৰুৱা নিজে ৰসিক মনৰ মানুহ আছিল বাবে এনে ৰসপ্ৰধান চৰিত্ৰসমূহক উপস্থাপন কৰিছে। তদুপৰি পাশ্চাত্য নাট্যাদৰ্শনৰ প্ৰভাৱ প্ৰধানকৈ শ্বেক্সপীয়েৰৰ

নাট পঢ়ি তেনে ধৰণৰ কিবা এটা কৰাৰ হেঁপাহ থকাৰ বাবেও এই আগ্ৰহ জন্মিব পাৰে।

নাটকখনত উৎকণ্ঠা অথবা কোনো আশংকাজনিত পৰিস্থিতি উপস্থাপন কৰা হোৱা নাই। গতানুগতিক এক ধৰণৰ সৰলৰেখাত নাটকীয় কাহিনীয়ে গতি কৰিছে। যুদ্ধক্ষেত্ৰত সংঘটিত হোৱা ঘটনাসমূহক কেৱল বিৱৰণৰ যোগেদি পাঠক-দৰ্শকক বুজাবলৈ প্ৰয়াস কৰিছে। ইয়াত প্ৰত্যক্ষভাৱে যুদ্ধক দৰ্শকৰ আগত উপস্থাপন কৰা হোৱা নাই। নাটকখনৰ দৃশ্যসমূহ বিনা কাৰণত কাহিনীক দীঘল কৰাৰ প্ৰয়াসে নাট মঞ্চস্থ কৰাত অসুবিধাৰ সৃষ্টি কৰিছে। কাহিনী সংক্ষেপ কৰি মঞ্চৰ উপযোগী কৰি লোৱাৰ অৱকাশ আছিল।

নাটকখন যিহেতু বুৰঞ্জীৰ ভেটিত ৰচিত গতিকে ইয়াত দেশপ্ৰেমৰ প্ৰবল জোৱাৰ উঠিব লাগিছিল। কিন্তু সেয়া হৈ উঠা দেখা নাযায়। তাৰ পৰিৱৰ্তে হাস্যৰসেহে বিশেষ গুৰুত্ব লাভ কৰিলে।

নাটকখন ৰচনা কৰোঁতে যিহেতু তেওঁ সম্পূৰ্ণকৈ বুৰঞ্জীক অনুসৰণ কৰা নাছিল, দুই চাৰিটা প্ৰবন্ধক আশ্ৰয় কৰি লেখিছিল। সেই কথা তেওঁ নিজে নাটকখনৰ পাতনিত কৈছে। কিন্তু সেয়া হ'লেও বুৰঞ্জীৰ পাতত দেখা চৰিত্ৰসমূহক সেইমতে ফুটাই তুলিব পৰা নাই। এইনাটকখনত লাচিতৰ সোঁহাত স্বৰূপ বাঁহগড়ীয়া আতন বুঢ়াগোহাঞে ন্যায্য স্থান নেপালে (অসম প্ৰকাশন পৰিষদ, ১৭৫)

নাটকখন মূলতঃ বহিঃসংঘাতৰ ওপৰত প্ৰতিষ্ঠিত, ইয়াত চৰিত্ৰসমূহৰ কোনো মানসিক দ্বন্দ্ব লক্ষ্য কৰা নাযায়। নাটকখনত কোনো ধৰণৰ অন্তৰ্মুখী আবেদনো দেখা নাযায় (শৰ্মা ২০২)। তদুপৰি নাটকখনত উল্লেখ কৰা দীঘলীয়া চিঠিসমূহেও নাট্য কাহিনী বিকাশত ম্লান কৰিছে।

নাটকখনৰ কেইবাটাও গীতৰ উল্লেখ পোৱা যায়। গণক, বাইলুং, টকৌ, গজপুৰীয়া, ভকতৰাম ওজা, চেনেহী, ৰূপহী, নট-নটী আদিৰ মুখত কীৰ্ত্তন, মন্ত্ৰ, দেশপ্ৰেমমূলক গীত, ধেমেলীয়া আৰু প্ৰেমৰ গীত সুন্দৰভাৱে উপস্থাপন কৰিছে। প্ৰধানকৈ টকৌ, গজপুৰীয়া আদিৰ মুখত ধেমেলীয়া হাস্যব্যঙ্গমূলক আৰু স্বদেশপ্ৰীতিমূলক গীত, গণক আদিৰ মুখত মন্ত্ৰধৰ্মী গীত, ভকতৰাম ওজাৰ মুখত অসমৰ আদি বৃত্তান্তমূলক ওজাগীত, চেনেহী, ৰূপহীৰ মুখত প্ৰেম ভাব প্ৰতিফলিত গীত, নট-নটী আদিৰ প্ৰসংগত কীৰ্ত্তনৰ গীত গোৱা দেখা যায়।

গীতৰ উপৰিও নাটকখনিত ফকৰা, যোজনা আদিও উল্লেখ পোৱা যায়। বিশেষকৈ ৰূপহী, চেনেহীৰ মুখত কথাই কথাই ফকৰা, যোজনা, জতুৱা ঠাচ, খণ্ডবাক্য আদিও উল্লেখ আছে। বাকী অন্যান্য চৰিত্ৰ যেনে— চক্ৰধ্বজ সিংহ, আউৰাংজেৱ, ৰামসিংহ, লাচিত, টকৌ, গজপুৰীয়া আদিৰ মুখতো এনে বাক্য উল্লেখ পোৱা যায়।

**গীত ঃ**

চেনেহী চেনেহী তেলৰ চুপি
শদিয়াখোৱা মৰে জুপি
শদিয়া আহিলে বাট বুলি
চেনেহীয়ে তুলিলে পকা চুলি

ভিনিহি এ লৈ যা মোক।
ফুলৰে হাঁচতি বৈ দিম তোক।।
ফুলৰে হাঁচটি মাজতে ফটা।
ভিনিহিৰ নাকটো গুৰিটে কটা।।
অৰুণে বিলালে পূবকে কিৰণ
মালতী মলয়াক মৌ,
জনমদুখুনীৰ কি আছে
বিলাব হিয়াহে মল থওঁ।

**যোজনা, ফকৰা, খণ্ডবাক্য ঃ**

দুপতীয়াতে বিহগছৰ পুলি উঘলাটোৱেই যুগুত;
ভূতৰ ওপৰতে দানহ;

চোৰেহে চোৰৰ ঠেং দেখে।
বলিয়াইহে বলিয়াক দেখে।
'কণা কুকুৰাক পতান ধান দি ভৰিছে' (১৭)

ধান খায় সিপাৰে
আটিমুটি কৰে ইপাৰে। (৬০)

পঢ় বাবাজী আত্মাৰাম পঢ়।
বছৰেকত বেওঁ ছমাহত ঘেওঁ।
এইজনী শিপিনী কাৰ বুকুত দিওঁ?
মাকতকৈ জীয়েক কাজী।
ঢেঁকীথোৰাৰে বাতে পাঁজী।
ঘৰ পুৰিলে কৰাই ভাজি।। (৬১)
ওৱাক নিন্দে কোৱাই।
পুঠি খলিহাক নিন্দে ভেৰপেটী মোৱাই। (৬৩)

**গালি গালাজ ঃ** হেৰ হাতীমূৰা পৰ্ব্বত, বামুণভেকোলাৰ গান কোনেও নুশুনে, তুমি একেবাৰেই ধোদৰ আলিটো যেন পোন, মইহে বেঁকা' (২৯)

**আহুদি তন্ত্ৰ-মন্ত্ৰ ঃ** "গজপুৰীয়ানী তই পাৰিবি!' ৰদঘাই পাণগছজোপাৰ তিন্ ডাল শিপা আজিয়েই তুলি থওঁ। কাইলৈ পুৰা বাহী মুখেৰেই গৈ আউনীপাণৰ গছৰ মকৰাজাল আনিম। শামুক চূণৰ চোকোৰা আছেই।" (২৮)

লাফ মাৰি পাঁৰা ডেকা গচৰ তামোল
পুৰণি মদাৰৰ পাণ।
দুখনি ঠগি শৰাইত সজাই পৰাই
গণকক দিয়া দান। (১৯)

**সংলাপ ঃ** *চক্ৰধ্বজ সিংহ* নাটকখনত সংলাপসমূহ বিশেষ মনকৰিবলগীয়া। প্ৰধানকৈ লাচিত, চক্ৰধ্বজ সিংহ, ৰামসিংহ আদি চৰিত্ৰসমূহৰ সংলাপ নিজৰ সাৱলীলতাৰে বীৰত্বৰ পৰিচয় প্ৰকাশ কৰাত সিদ্ধহস্ত হৈছে। আনফালে খুহুতীয়া চৰিত্ৰ যেনে— গজপুৰীয়া, গজপুৰীয়ানী, টকৌ আদি চৰিত্ৰসমূহৰ মুখত হাস্যৰস উদ্বেগকাৰী সংলাপ ফুটি উঠিছে।

নাটকখনত সেই সময়ৰ এখন সমাজ চিত্ৰিত কৰিবলৈ প্ৰয়াস কৰিছে। সেয়ে মোগল আৰু আহোমৰ ৰজা মহাৰজাৰ মুখত হিন্দী, আৰবী, ফাৰ্চী শব্দ আৰু আনফালে টাইমূলীয় আৰু অসমীয়া পুৰণিকলীয়া সুন্দৰ শব্দসম্ভাৰৰ ব্যৱহাৰ কৰিছে— *মেৰে জান খুব চুৰত। লাও চিৰিজ; ফেৰ গাঁও। আৰে ক্যা বাত! ক্যা বাতঙ্গ যো হুকুম জোনাব; তাবেদাৰ, চাহাব, বাদছাহ, জোনাব, হুজুৰ* ইত্যাদি শব্দই বিশেষ স্থান অধিকাৰ কৰিছে।

মোগলৰ যোদ্ধাসকলৰ মাজত বিভিন্ন ধৰণৰ নৃত্য-গীতৰ আয়োজন চলিছিল তেওঁলোকৰ মনোৰঞ্জনৰ অৰ্থে। তাত নৰ্তকীসকলে নৃত্য কৰি গীত গাই সৈন্যসকলক আহ্লাদিত কৰিছিল তাৰ আভাসো নাটকখনত পোৱা যায়।

যুদ্ধলৈ যোৱাৰ আগতে পূজা অৰ্চনা কৰি যোৱাৰ প্ৰথাও উল্লেখ আছে— গণকে মন্ত্ৰ মাটি পূজা-অৰ্চনা কৰিছে। তেনেদৰে যুদ্ধ জয় কৰি অহাৰ পাছত উৎসৱ পতাৰো উল্লেখ পোৱা যায়। যুদ্ধ জয়ৰ পাছত স্বৰ্গদেউৰ আদেশ মৰ্মে ৰিখোৱান উৎসৱ পাতিছে। কোন সময়ত যুদ্ধ লাগিব তাৰো গণনা কৰিহে ক্ষণ উলিয়াই যুদ্ধ কৰাৰ কথা উল্লেখ পোৱা যায়। ভূতপ্ৰেত আদিত বিশ্বাস, ঐন্দ্ৰজালিক ক্ৰিয়াকৰ্ম ইত্যাদিবোৰ কথা নাটকখনত চৰিত্ৰসমূহৰ মুখেৰে প্ৰকাশ ঘটিছে। মোগলৰ বাইৰামদেওয়ে কৈছে ঃ

বাইৰামদেও ঃ হুজুৰ! কামৰূপ কামাখ্যা ডাকিনী-যোগিনীৰ মুলুক বুলি আমি আগেয়ে শুনিছিলোঁ। এতিয়া নিজ চকুৰেই দেখিলোঁ। এই দেশৰ বিলকুল মানুহে ভোজবাদী, যাদু আৰু মন্ত্ৰ জানে হুজুৰ। ইহঁতে এঠাইৰ পৰা এঠাইলৈ গছ চলাই দিয়ে। মোৰ কিন্তু ইহঁতে গছ চলোৱাটো দেখিবৰ মন আছিল হুজুৰ!

বাইৰাম ঃ মিঞা! তামাচা নহয়, মই হ'লে সঁচাসঁচিকৈ কওঁ— ভাগৱতী কামাখ্যাৰ প্ৰসাদত এই মুলুকৰ মানুহক কোনেও বলে নোৱাৰে। হজুৰ! আমাৰ ইয়ালৈ অহাই ভুল হৈছিল। (৮২)

নাট্যকাৰ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ সকলোবোৰ দিশ টনকিয়াল কৰিবৰ অৰ্থে নিজেই বহু প্ৰচেষ্টা হাতত লৈছিল। ইয়াৰ ভিতৰত তেওঁ বুৰঞ্জীমূলক ঘটনাক আলম কৰি লেখা নাটকসমূহো অন্যতম। *চক্ৰধ্বজ সিংহ* নাটকখন তেওঁৰ আন দুখন বুৰঞ্জীমূলক নাটক *বেলিমাৰ, জয়মতী কুঁৱৰীৰ* দৰেই বিশেষ উল্লেখযোগ্য। তেওঁ নাট্যকাৰ হোৱাৰ বাসনা নাই। কিন্তু অসম বুৰঞ্জীসম্পৰ্কে সম্যক ধাৰণা অসমৰ জনসাধাৰণ তথা পাঠকৰ মাজত বিয়পাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

"মোৰ ঘাই উদ্দেশ্য— অসমৰ অতীত গৌৰৱ-কাহিনী নাটৰ আকাৰেৰে আজিকালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰাটোহে, নাট লেখি যহ আৰ্জিবলৈ যোৱাটো নহয়। কিন্তু লগতে যদি যহ উপাৰ্জন হয় হওক, নহয় নাই।" (পাতনি)।

সেয়ে এনেবোৰ নাটকৰ সৃষ্টি হৈছিল। নাটকখনত বহু ত্ৰুটী-বিচ্যুতি থাকিলেও ৰসিক আৰু প্ৰাঞ্জল ভাষাৰে নাটকীয় বিষয়বস্তু উপস্থাপন কৰিছে। ইয়াতেই বেজবৰুৱাদেৱৰ সাহিত্যিক প্ৰতিভা প্ৰতিভাত হৈছে।

**সহায়ক গ্ৰন্থপঞ্জী**


অসম প্ৰকাশন পৰিষদ। *লক্ষ্মীনাথ বেজবৰুৱা*। ২০০৭। প্ৰকাশিত।

কটকী, প্ৰফুল্ল। *সাহিত্যৰথী*। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন। ২০০৮। প্ৰকাশিত।

বেজবৰুৱা, লক্ষ্মীনাথ। *নিৰ্বাচিত নাট্যসম্ভাৰ*। গুৱাহাটী ঃ বাণী মন্দিৰ। ২০১৫। প্ৰকাশিত।

ভট্টাচাৰ্য্য, হৰিচন্দ্ৰ। *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*। গুৱাহাটী ঃ পুনৰ মুদ্ৰণ। লয়াৰ্ছ বুক ষ্টল। ২০১৩। প্ৰকাশিত।

ভূঞা, প্ৰফুল্ল চন্দ্ৰ। *লক্ষ্মীনাথ বেজবৰুৱা আৰু অসমীয়া ঐতিহ্য*। গুৱাহাটী ঃ বনলতা। ১৯৯১। প্ৰকাশিত।

ভূঞা, সূৰ্যকুমাৰ (সম্পা.)। হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*। গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ২০১০। প্ৰকাশিত।

শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া নাট্য সাহিত্য*। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ। ২০১৩। প্ৰকাশিত।